**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-01-2026
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিমৰীয়া বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৭৬৬ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ

২। মুখ্যমন্ত্ৰীৰ চাংসাৰীত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বেজেৰা আৰু শুৱালকুছি অঞ্চলৰ এহেজাৰ ৫৩৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন।

৩। সদৌ অসম ছাত্ৰ সন্থাৰ জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ আজি এখন জৰুৰী পত্ৰ প্ৰেৰণ। *আৰু*

৪। বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰৰ বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ত এটি ছাত্ৰী নিৱাসৰ আধাৰশিলা স্থাপন।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী পানীখাইটিত আয়োজিত এটা অনুষ্ঠানত ডিমৰীয়া বিধানসভা সমষ্টিৰ ২৪ হাজাৰ ৭৬৬ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে আয়োজিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰকাৰী আঁচনিৰ লাভালাভ সন্দৰ্ভত অৱগত কৰে। ড° শৰ্মাই ডিমৰীয়া সমষ্টিৰ উদ্যমী মহিলাসকলে এই ধনৰ সদ্ব্যৱহাৰৰ জৰিয়তে স্বাৱলম্বী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। মহিলাসকল আৰ্থিকভাৱে সবল হলে গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ পথ প্ৰসস্ত হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত খছৰা ভোটাৰ তালিকা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে খছৰা ভোটাৰ তালিকা সন্দৰ্ভত অভিযোগ থকাসকলে ২২ জানুৱাৰীৰ ভিতৰত নিৰ্বাচন আয়োগৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব।

বাইট

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চাংসাৰীত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বেজেৰা আৰু শুৱালকুছি অঞ্চলৰ এহেজাৰ ৫৩৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলৰ জীৱনৰ প্ৰাপ্তি আৰু আনন্দ উপলব্ধিৰ আজি এটা উল্লেখনীয় দিন বুলি অভিহিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃ তথা অভিভাৱকসকলক অভিনন্দন জনায়। তেওঁ কয় যে সাম্প্ৰতিক প্ৰতিযোগিতাৰ যুগত নিজকে সফলভাৱে প্ৰতিষ্ঠা কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতামূলক মানসিকতা গঢ়ি তুলিব লাগিব। অধ্যয়ন, আত্মবিশ্বাস, অনুশাসন আৰু কঠোৰ পৰিশ্ৰমৰ যোগেদি তেওঁলোকে একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ নিজকে

প্ৰস্তুত কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক উচ্চাকাংক্ষী হ'বলৈ আৰু উচ্চাকাংক্ষা পূৰণৰ দৃষ্টিভংগী স্পষ্ট কৰিবলৈ আহ্বান জনায়।

ooooo

সদৌ অসম ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ আজি এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে উল্লেখ কৰা অনুসৰি পত্ৰখনৰ জৰিয়তে জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ এখন বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ফৌজদাৰী আইনৰ অভিজ্ঞ অধিবক্তাৰ এটি দলক বিশেষ লোক অধিবক্তা হিচাপে নিয়োগ কৰাৰ প্ৰয়োজন বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ক বিশেষ আদালতৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰক পদক্ষেপ ল'বলৈ ছাত্ৰ সন্থাই অনুৰোধ জনাইছে। ছাত্ৰ সন্থাই পত্ৰখনত জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু বিগত বছৰটোত ৰাজ্য তথা জাতিটোৰ বাবে আটাইতকৈ দুখৰ খবৰ আছিল বুলি উল্লেখ কৰি কয় যে আদালতৰ শুনানি কালত এতিয়া অভিযুক্তসকলৰ প্ৰত্যেকে নিজক ৰক্ষাৰ বাবে আগশাৰীৰ অধিবক্তা নিয়োগ কৰা দেখা গৈছে। গতিকে তেনে ক্ষেত্ৰত জুবিন গাৰ্গৰ পক্ষত শক্তিশালী অধিবক্তাৰ দল নিয়োগ কৰাৰ সময় আহি পৰিছে বুলি ছাত্ৰ সন্থাই উল্লেখ কৰে।

ooooo

বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰৰ বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ত এটি ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰে। উত্তৰ-পূৱ পৰিষদৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ পুঁজিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া ৩ মহলীয়া ছাত্ৰী নিবাসটোত এশ গৰাকী ছাত্ৰী থাকিব পাৰিব। ৮ কোটি ২০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগা ছাত্ৰী নিবাসটো দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ নগৰৰ দিখৌ দলঙৰ সমীপত নিৰ্মাণ কৰা চিলাৰায় ভৱনটি উদ্বোধন কৰে। কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অৰ্থ সাহায্যৰে প্ৰায় ২ কোটি ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ভৱনটো বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনিক কাৰ্যসূচীৰ বাবে ব্যৱহাৰ কৰা হ'ব। উদ্বোধনী অনুষ্ঠানত দিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, কোচ ৰাজবংশী উন্নয়ন বোৰ্ডৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি শিশু দিন উদযাপন কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই এই শিশু দিন কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে। এই অনুষ্ঠানৰ পাছতেই বিয়লি ২ বজাত জন্ম শতবৰ্ষ উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিয়লি ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

ooooo

নগাঁও জিলাৰ কলিয়াবৰৰ কুঁৱৰীটোলত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোনালী জয়ন্তী সমাৰোহ আৰু দ্বি-বাৰ্ষিক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। ড°

শীলা বৰঠাকুৰ ক্ষেত্ৰত আজি তৃতীয় দিনাৰ প্ৰথম মুকলি সভাত ছট্টিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ লগতে পত্নী ৰাণী ডেকা কাকতিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সূৰ্বণ শইকীয়া বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। আজিৰ এই সভাতেই সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে মন্ত্ৰী কেশৱ মহন্তক "কৰ্মজ্যোতিষ্মান" উপাধি প্ৰদান কৰে। ৰাজ্যপাল ৰমেন ডেকাই মাতৃ চম্পাৱতী ডেকাৰ সোঁৱৰণত হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নন্দিতা চলিহালৈ "সাৰস্বত সাধনা বঁটা" প্ৰদান কৰি আমাৰ সাংবাদিকৰ আগত এইদৰে কয়-

*Byte: ৰমেন ডেকা, ৰাজ্যপাল, ছট্টিশগড়।*

আজিৰ মুকলি সভাতে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে প্ৰতিবছৰে আগবঢ়োৱা কাব্য ভাৰতী নলিনীবালা দেৱী বঁটা, চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, লেখিকা সমাৰোহ সাহিত্য বঁটাকে ধৰি ৪২টাকৈ বঁটা শিক্ষা তথা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষভাৱে সেৱা আগবঢ়োৱা ব্যক্তিক প্ৰদান কৰা হয়।

OOOO

নৱবৰ্ষৰ আৰম্ভণিতে কাচাৰ জিলাৰ লক্ষীপুৰ ব্লকৰ আনাৰস খেতি আৰু প্ৰক্ৰিয়াকৰণ খণ্ডক নীতি আয়োগে গুৰুত্বপূৰ্ণ স্বীকৃতি প্ৰদান কৰি আশা ব্যঞ্জক অধ্যায়ৰ আৰম্ভ কৰিছে। কৃষিভিত্তিক উদ্ভাৱন, দীৰ্ঘম্যাদী জীৱিকা সৃষ্টিৰ লগতে পৰিৱেশ অনুকূল উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি লক্ষীপুৰ ব্লকক এই স্বীকৃতি প্ৰদান কৰা হৈছে। এই স্বীকৃতিৰ অধীনত জিলা কাৰ্যসূচী আৰু ব্লক কাৰ্যসূচীৰ যোগেদি লক্ষীপুৰ জিৰো ৱেষ্ট আনাৰস উদ্ভাৱণ প্ৰকল্পৰ বাবে ১ কোটি ৬৪ লাখ টকা আৱণ্টন দিয়া হৈছে। ইয়াৰ লগতে লক্ষীপুৰ ব্লকত এবছৰ ৩ মাহৰ বাবে আধুনিক জিৰো ৱেষ্ট আনাৰস উদ্ভাৱণ কেন্দ্ৰ স্থাপন কৰা হ'ব। এই পদক্ষেপৰ মূল উদ্দেশ্যে হৈছে আনাৰস আৰু ইয়াৰ উপজাত সামগ্ৰীৰ সৰ্বাধিক ব্যৱহাৰ নিশ্চিত কৰা, আৱৰ্জনসমূহৰ পৰিমাণ হ্ৰাস কৰা, মূল্য সংযোজন কৰা, কৰ্ম সংস্থাপনৰ সৃষ্টি আৰু পৰিৱেশৰ বহনক্ষমতা বজাই ৰখা। নীতি আয়োগৰ এই স্বীকৃতিক আদৰণি জনাই বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী তথা লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক কৌশিক ৰায়ে কয়, যে এই অনুমোদনে আনাৰস খেতি, কৃষকৰ উন্নয়ন আৰু উৎপাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বিধায়কজনে লগতে এই অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

OOOOO

সমাপ্ত